পাঠ ১১

E4W3L2

# ৰান্ধনিঘৰৰ আলাপ

ন্ট ট্ৰ ল্ট ঞ্জ




সোণটিহঁতৰ ৰান্ধনিঘৰত
এদিন দোভাগ ৰাতি,
খুটুং খাটাং ঘিটিং ঘাটাং
বাজিল কাঁহী-বাটি।



বাটিয়ে ক'লে ঠাট্টা কৰি
তোতকৈ মইহে ডাঙৰ,
ময়েই তোৰ মান ৰাখি
আঞ্জা দিওঁ ভাগৰ।




তাকে শুনি কাঁহীয়ে ক'লে
তই বৰ ঠেক,
গৰ্ব কৰিবলৈ নাই একোকে
হাঁহি থাক খেক্ খেক্।



ফিচিঙা-ফিচিঙি হাঁহি মাৰি
কেৰাহীয়ে ক'লে, ফিতাহি মাৰি,
আমি দিওঁ ৰান্ধি বাঢ়ি
নামটো নিয় তহঁতে কাঢ়ি।

হেতা খণ্টি বাল্টি ঘটি
নাথাকি চুপে চাপে
হুৰ-মূৰকৈ দম্ভালি মাৰি
উঠিল একে জাঁপে।



*পদ্যটো শিকাৰুৰ দ্বাৰা অভিনয় কৰাব।*


পদ্যটি আবৃত্তি কৰোঁ আহা

দলত ভাগ হৈ কথা পাতা

(ক) সোণটিহঁতৰ ৰান্ধনিঘৰত কি হৈছিল?

(খ) ৰান্ধনিঘৰত কি কি কাম হয়?

যুক্তাক্ষৰ ভাঙি পঢ়োঁ আৰু লিখোঁ আহা



ঘণ্টা ণ্ট = ণ + ট ণই টই ণ্ট

| | | | | | | |
|---|---|---|---|---|---|---|
| ণ্ট | ণ + ট | ণই | টই | ণ্ট | — | ঘণ্টা, বেডমিণ্টন |
| ট্ট | ট + ট | টই | টই | ট্ট | — | ঠাট্টা, ভাট্টা |
| ল্ট | ল + ট | লই | টই | ল্ট | — | বাল্টি, বল্টু |
| ঞ্জ | ঞ + জ | ঞই | জই | ঞ্জ | — | আঞ্জা, ইঞ্জিন |



যুক্তাক্ষৰ গঠন কৰোঁ আহা

| | | | |
|---|---|---|---|
| ণ + ট | ণই | টই | ণ্ট |
| ট + ট | টই | টই | ট্ট |
| ল + ট | লই | টই | ল্ট |
| ঞ + জ | ঞই | জই | ঞ্জ |



পঢ়োঁ আহা

| | | | | |
|---|---|---|---|---|
| খণ্টি | ঘণ্টা | কণ্টক | পট্টা | অট্টালিকা |
| অট্টহাস্য | বল্টু | পল্টন | বাল্টি | ৰান্ধনি |
| বন্ধু | সম্ভাৰ | কুঞ্জ | অঞ্জন | ব্যঞ্জন |



বিদ্যালয়ৰ ঘণ্টা বাজিছে।

ছাত্ৰ-ছাত্ৰীয়ে বাল্টিত খোৱাপানী আনিছে।

শ্ৰেণী আৰম্ভ হৈছে।

শিক্ষকে ৰেলৰ ইঞ্জিনৰ ছবি দেখুৱাইছে।

বিদ্যালয়ৰ পৰা অলপ দূৰত এটা অট্টালিকা আছে।

খোৱা বস্তু ৰান্ধনি ঘৰত ৰন্ধা হয়। তলৰ কামবিলাক ক'ত ক'ত কৰা হয় লিখা।

ঔষধ বেচা-কিনা ........................................

ৰোগীক চিকিৎসা ........................................

গাড়ীৰ মেৰামতি ........................................

দা, কুঠাৰ গঢ়া ........................................

মাটিৰ বাচন তৈয়াৰ ........................................

*কাৰ্যটো কৰাত শিকাৰুক সহায় কৰিব।*

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

যুক্তাক্ষৰ ভাঙা আৰু শব্দ সাজা।


ণ্ট ..................................................

ট্র ..................................................

ল্ট ..................................................

ঞ্জ ..................................................

ছবি চাই নাম জানো আহা



বান-বাটি    বান-কাঁহী    পিতলৰ কলহ    কাঁহৰ বটা



পিতলৰ শৰাই    কাঁহৰ ঘটি    পিতলৰ হেতা    পিতলৰ টৌ

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

ৰান্ধনিঘৰৰ বাচন-বৰ্তনৰ এখন তালিকা কৰা।


তলৰ বস্তুবোৰ কি কি কামত ব্যৱহাৰ কৰা হয় দলত আলোচনা কৰা।


কটাৰী


বাল্টি


কেৰাহী


কাঁহী



চচ্‌পেন


চৰিয়া


মগ


শিলপতা


কলহ


মৈদা/বঠী


গিলাচ


বাটি

শুদ্ধটোত (✓) চিন দিয়া।

- ৰান্ধনিঘৰৰ বাচন-বৰ্তন সদায় ধুব নালাগে।
- খোৱা পানী উতলাই খাব লাগে।
- খোৱা বস্তু ঢাকি থ'ব লাগে।
- সদায় স্কুললৈ যাব নালাগে।
- পাকঘৰ লেতেৰাকৈ ৰাখিব লাগে।



তোমালোক প্ৰত্যেকেই ঘৰৰ কি কি কামত সহায় কৰা কোৱা আৰু লিখা।

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

কোনটো বাটেৰে গ'লে ফলটো ছিঙিব পাৰিবা ?



নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী